# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গৃহ পুথিভঁৰাল

## চিত্ৰাচল পাহাৰৰ বুকুত ফুলি থকা এপাহ সূৰ্যমুখী



■ গীতালি শইকীয়া

'যিখন ঘৰত কিতাপ নাই, সেইখন ঘৰ আত্মাহীন শৰীৰৰ দৰে'— মাৰ্কাছ টুলিয়াছ চাৰ্কোৰ সেই চিৰসেউজ কথাষাৰৰ আঁত ধৰিয়েই ক'ব খুজিছোঁ সেইখন ঘৰৰ কথা, যিখন ঘৰৰ অধিকাংশতে আধিপত্য কিতাপৰ। ঘৰখনৰ গৰাকীজনৰ বাবে ধন-সোণতকৈ অধিক মূল্যবান আছিল কিতাপবোৰ। প্ৰকৃতিৰ সেউজীয়া কোলাত গুৱাহাটীৰ চিত্ৰাচল পাহাৰৰ এটি টিলাত আশ্ৰম সদৃশকৈ গঢ়ি তোলা সেই ঘৰখনৰ গৰাকী আছিল জ্ঞানপীঠ বঁটাবিজয়ী প্ৰথম অসমীয়া ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। সেইখন ঘৰত বহিয়েই জ্ঞানযোগী ড° ভট্টাচাৰ্যই সৃষ্টি কৰি গৈছিল ইটোৰ পাছত সিটো সাহিত্য কৰ্ম। সা-সম্পত্তিৰ প্ৰতি উদাসীন মানুহজন আছিল মানুহৰ প্ৰেমিক। জ্ঞানাৰ্জনৰ দুৰ্বাৰ হাবিয়াস আৰু মানুহৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আখৰৰ মাধ্যমেৰে নিগৰিছিল প্ৰবন্ধ, কবিতা অথবা উপন্যাস হৈ। ক'ৰবালৈ গ'লেই সেই ঠাইৰ পৰা কিতাপ এখন নিকিনাকৈ থকাটো তেওঁৰ বাবে বোলে অসম্ভৱ আছিল। বিবাহৰ পাছতে নকন্যা বিনীতা ভট্টাচাৰ্যই চেনিকুঠীৰ খেৰী ঘৰটোত আহি দেখিছিল চাৰিওফালে বিভিন্ন বিষয়ৰ কিতাপৰ মাজত মূৰ গুঁজি বোৱা মানুহজনক।' বিনীতা ভট্টাচাৰ্যৰ ভাষাত— '১৯৫৮ চনত মই তেওঁৰ সৈতে বিয়া হৈ আহি চেনিকুঠীৰ পাকঘৰ সংলগ্ন দুকোঠলীয়া খেৰীঘৰটোত সোমাই দেখিছিলোঁ এডাল ৰিফিউজী বেকৰ তিনিটা খাপত কিছু কিতাপৰ লগতে ৰিফিউজী খাট এখনত স্তূপীকৃত কিতাপ। তাৰ মাজত সোমাই তেওঁ লিখা-পঢ়া কৰে।' স্বামীৰ জ্ঞানাৰ্জন আৰু সৃষ্টিৰ ক্ষেত্ৰখনত প্ৰেৰণাৰ বন্তি হৈ বোৱা বিনীতা ভট্টাচাৰ্যই আৱৰি-সামৰি ৰাখিবলৈ ধৰিলে কিতাপবোৰ। যৌতুকত লাভ কৰা আলমিৰাকেইটাও স্বামীক আজৰাই দিলে কিতাপ ৰাখিবলৈ। উপহাৰ হিচাপে পোৱা গ্ৰন্থ, নিজে ক্ৰয় কৰা গ্ৰন্থৰ উপৰি ১৯৮০ চনত জ্ঞানপীঠ বঁটা লাভ কৰাৰ পাছত তেওঁৰ ঘৰত কিতাপৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। দেশী-বিদেশী কিতাপৰ সমান্তৰালকৈ ঘৰখনলৈ আমদানি হ'বলৈ ধৰিলে কিতাপ থোৱা আলমিৰাবো। কিতাপৰ সংখ্যা বঢ়াৰ লগে লগে ড° ভট্টাচাৰ্যৰ বুকুত সংগোপনে বাঢ়ি আহিল এটা গৃহ পুথিভঁৰাল স্থাপনৰ সপোন। অৱশেষত ১৯৯৩ চনত পৰিয়ালৰ সকলোৱে আলোচনাৰ মাধ্যমেৰে গঢ় দিলে 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য গৃহ পুথিভঁৰাল'। ভট্টাচাৰ্যই পুথিভঁৰালটো প্ৰসংগ পুথিভঁৰাল হোৱাটো বিচাৰিছিল। পুথিভঁৰালটোত ড° ভট্টাচাৰ্যৰ ইতিমধ্যে প্ৰকাশিত সকলো গ্ৰন্থৰ লগতে দেশ-বিদেশৰ বিভিন্ন ভাষাৰ গ্ৰন্থ থূপ খাই আছে। দেশী-বিদেশী সাংবাদিকৰ বহুকেইখন গ্ৰন্থও ইয়াত আছে। সাহিত্য অকাডেমিৰ কাৰ্যকালত ড° ভট্টাচাৰ্যই ৰাছিয়া, চীন, পোলেণ্ড, জাপান, ইংলেণ্ড, ছুইজাৰলেণ্ড আদি দেশলৈ গৈছিল। সেই দেশসমূহৰ পৰাও বিভিন্ন বিষয়ৰ কিতাপ তেওঁ সংগ্ৰহ কৰি আনিছিল। পুথিভঁৰালটোত অসমীয়া, হিন্দী, পাঞ্জাবী, কনক্কনী, উৰ্দু, ইংৰাজী, বেংগলী, চাইনীজ আদি ভাষাৰ কিতাপ আছে। জ্ঞানৰ ভাণ্ডাৰ এই পুথিভঁৰালে উপকৃত কৰিছে বিভিন্নজনক। ড° ভট্টাচাৰ্যৰ গ্ৰন্থক বিষয় হিচাপে লৈ গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে ক্ৰমে ড° মলয়া খাউণ্ড, ড° ৰত্নোত্তমা দাস, ড° পূৰবী দেৱী, ড° পিংকী শইকীয়াই আৰু বহুকেইজনে গৱেষণা কৰিয়ে আছে। পুথিভঁৰালটো তেওঁলোকৰ সমলৰ অন্যতম উৎস ৰূপে পৰিগণিত হৈছে। পুথিভঁৰালটোত ২৫টা আলমিৰাত প্ৰায় ১২ হাজাৰ গ্ৰন্থ আছে। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ পত্নীৰ বাবে ঘৰৰ চাৰিটা কোঠাজুৰি থকা আলমিৰাৰ কিতাপবোৰ তেওঁলোকৰ তিনি সন্তান দীপাংকৰ ভট্টাচাৰ্য, জুবি ভট্টাচাৰ্য আৰু শশাংক ভট্টাচাৰ্যৰ সমানেই মৰমৰ। প্ৰতিদিনে সন্তানৰ দৰেই মৰমৰ হাত বুলাই কিতাপবোৰত। এই বৃহৎসংখ্যক কিতাপৰ উপযুক্ত পৰিচৰ্যা আৰু সংৰক্ষণৰ চিন্তাত উদ্বিগ্ন তেওঁ আৰু তেওঁৰ তিনি সন্তানৰ লগতে শুভাকাংক্ষীসকল। গ্ৰন্থাগাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ন্যাসৰ পৰা দুজন কৰ্মচাৰীক নিয়োগ কৰা হৈছে। তেওঁলোকে কিতাপৰ নাম্বাৰিঙকে ধৰি কিছু আনুষংগিক কাম কৰি আছে। পুথিভঁৰালটো পৰিচালনা কৰে ড° ভট্টাচাৰ্যৰ কন্যা জুবি ভট্টাচাৰ্যই। ড° ভট্টাচাৰ্যৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত বহু ৰচনা এতিয়াও কিতাপৰ আকাৰত প্ৰকাশ হোৱা নাই। বিশেষকৈ 'দ্য আছাম ট্ৰিবিউন', 'দৈনিক অসম'ত প্ৰকাশিত গুৰুত্বপূৰ্ণ প্ৰবন্ধবোৰ আবদ্ধ হৈ আছে দুই শতাধিক ফাইলতে। গ্ৰন্থাগাৰিক দুজনে এইসমূহ সংৰক্ষণৰ কামত ব্যস্ত হৈ আছে। ড° ভট্টাচাৰ্যৰ আৱাসৰ চাৰিটা কোঠাত কিতাপ ৰখা সত্ত্বেও গ্ৰন্থাগাৰটোক পূৰ্ণ ৰূপ দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে তেওঁৰ পৰিয়াল। বিজ্ঞানসন্মতভাৱে পুথিসমূহ সংৰক্ষণৰ বাবে এক মোটা পুঁজিৰ প্ৰয়োজন। কিন্তু তাৰ অভাৱত পুথিভঁৰালটোৰ পৰিসৰ বৃদ্ধি আৰু কাৰ্যক্ষম কৰি ৰখাটো কঠিন হৈ পৰিছে। অৱশ্যে ড° ভবেন্দ্ৰ নাথ শইকীয়া শংকৰদেৱ কলাক্ষেত্ৰৰ চেয়াৰমেনৰ দায়িত্বত থকা সময়ত ড° ভট্টাচাৰ্যৰ পুথিভঁৰালৰ কিতাপখিনি কলাক্ষেত্ৰত ৰখাৰ প্ৰস্তাৱ আগবঢ়াইছিল যদিও ড° শইকীয়াৰ বিয়োগ ঘটাত সেই প্ৰস্তাৱ আগ নাবাঢ়িল। ২০১২-১৩ বৰ্ষত কংগ্ৰেছ চৰকাৰৰ দিনত বাজেটত ড° ভট্টাচাৰ্যৰ সৃষ্টি সংৰক্ষণ কৰিব বুলি ঘোষণা কৰিছিল যদিও সেয়া কাৰ্যত ৰূপায়ণ নহ'ল। ড° ভট্টাচাৰ্য সোঁৱৰণী ন্যাসক বৰ্তমানৰ চৰকাৰে এইক্ষেত্ৰত সহায়ৰ প্ৰতিশ্ৰুতি আগবঢ়াইছে। প্ৰকৃতিৰ কোলাত জ্ঞানৰ অযুত সম্ভাৰ বুকুত বান্ধি গৌৰৱেৰে থিয় হৈ থকা ড° ভট্টাচাৰ্যৰ সপোন সঞ্চিত পুথিভঁৰালটো অসমীয়া সমাজ-সাহিত্যৰ কীৰ্তিস্তম্ভ হৈ ৰওক। পুথিভঁৰালটো পূৰ্ণ ৰূপত গঢ় দি গ্ৰন্থসমূহ সংৰক্ষণৰ দিহা কৰিবলৈ অসমৰ বৌদ্ধিক সমাজেও পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। মাত্ৰ ৭৩ বছৰ বয়সতে মৃত্যুক সাবটি লোৱা ড° ভট্টাচাৰ্যৰ ৫০খন গ্ৰন্থৰ পাণ্ডুলিপি অৰ্থৰ অভাৱতে অপ্ৰকাশিত হৈ আছে। এইসমূহে প্ৰকাশৰ মুখ দেখিলে অসমীয়া সাহিত্য জগতৰ ৰবপেৰাটো অধিক সমৃদ্ধিশালী হ'ব। স্বামীৰ আধৰুৱা সপোন পূৰণৰ চিন্তাত জৰ্জৰিত ড° ভট্টাচাৰ্যৰ পত্নী বিনীতা ভট্টাচাৰ্য। অসম গৌৰৱ ড° ভট্টাচাৰ্যৰ সপোনৰ পুথিভঁৰালটোৰ বাবে অসমীয়াই সময় থাকোঁতেই ভাবিলে ই নৱপ্ৰজন্মৰ বাবেও এক অমূল্য সম্পদ হৈ ৰ'ব।

ফোন ঃ ৯৮৫৪৮-০৪৪২১